# শ্ৰদ্ধাঞ্জলি

**শাৰদ চন্দ্ৰ শঙ্কৰ শ্ৰীখাণ্ডে ঃ**

যোৱা ২১ এপ্ৰিল, ২০২০ তাৰিখে ভাৰতীয় গণিত জগতৰ এক উজ্জ্বল জ্যোতিষ্ক শতায়ু পাৰ কৰা গণিতজ্ঞ শাৰদ চন্দ্ৰ শঙ্কৰ শ্ৰীখাণ্ডেৰ জীৱনাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ১০২ বছৰ। ১৯১৭ চনৰ ১৯ অক্টোবৰ তাৰিখে মধ্যপ্ৰদেশৰ সাগৰ চহৰত শ্ৰীখাণ্ডেৰ জন্ম হয়। স্থানীয় আটা মিলৰ কৰ্মচাৰী হিচাপে শ্ৰীখাণ্ডেৰ দেউতাকৰ আছিল এখন অভাৱক্লিষ্ট সংসাৰ। কিন্তু কৈশোৰৰ পৰাই অতি মেধাবী বাবে শ্ৰীখাণ্ডেই বিভিন্ন বৃত্তি লাভ কৰিছিল। নাগপুৰৰ চৰকাৰী বিজ্ঞান কলেজৰ পৰা তেওঁ গণিতৰ অনাৰ্চসহ স্নাতক পৰীক্ষাত সোণৰ পদক লাভ কৰিছিল। চাকৰি সূত্ৰে তেওঁ কিছুদিনৰ বাবে ভাৰতীয় পৰিসংখ্যা বিজ্ঞান অনুষ্ঠানত যোগদান কৰে আৰু তাতেই বিখ্যাত ভাৰতীয় গণিতজ্ঞ শ্ৰীৰাজ চন্দ্ৰ বোসক লগ পায় আৰু তেখেতৰ সান্নিধ্যতে statistical designৰ প্ৰতি আকৃষ্ট হয়। পৰৱৰ্তী কালত তেওঁ এটা জলপানী লৈ নৰ্থ কেৰ'লিনা বিশ্ববিদ্যালয়ত গণিতজ্ঞ ৰাজচন্দ্ৰ বোসৰ তত্বাৱধানত গৱেষণা কৰি পি এইচ ডি লাভ কৰে। পি এইচ ডি কৰা সময়ছোৱাত শ্ৰীখাণ্ডে, ৰাজচন্দ্ৰ বোস আৰু তেওঁলোকৰ সহযোগী ই টি পাৰ্কাৰে মহান গণিতজ্ঞ অয়লাৰৰ এক অনুমান মিছা বুলি প্ৰমাণ কৰে যাৰ বাবে তেওঁলোকে বন্ধুমহলত 'অয়লাৰ্চ স্পইলাৰ্চ' (Euler's spoilers) হিচাপে পৰিচিতি লাভ কৰে। শ্ৰীখাণ্ডেৰ গণিত চৰ্চাৰ মূল বিষয় আছিল combinatorics আৰু statistical designৰ চৰ্চাত প্ৰয়োগ কৰিব পৰা তেওঁ এটি বিশেষ গ্ৰাফ (graph) আৱিষ্কাৰ কৰি উলিয়াইছিল। Combinatoricsত এই গ্ৰাফটো 'শ্ৰীখাণ্ডে গ্ৰাফ' (Srikhande's Graph) নামেৰে জনা যায়।

শ্ৰীখাণ্ডেই আমেৰিকা আৰু ভাৰতৰ কেবাখনো বিশ্ববিদ্যালয়ত গণিতৰ অধ্যাপক নিযুক্ত হৈছিল। ভাৰতৰ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত অধ্যাপনা কৰাৰ উপৰিও তেখেতে বম্বে (আজিকালি মুম্বাই) বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক আৰু মুম্বাইৰ চেণ্টাৰ ফৰ এডভান্সড ষ্টাডিজ ইন ম্যাথেমেটিক্স' অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সঞ্চালক আছিল। তেখেতে এলাহাবাদৰ Mehta Research Institute (আজিকালি Harish Chandra Research Institute) তো সঞ্চালক হিচাপে কাম কৰিছিল।

Indian National Science Academy, Indian Academy of Scienceৰ উপৰিও আমেৰিকাৰ Institute of Mathematical Statistics য়ে শ্ৰী খাণ্ডেক ফেলো হিচাপে সন্মানিত কৰিছিল।

**কঞ্জীভৰম শ্ৰীৰঙ্গচাৰী শেষাদ্ৰী ঃ**

কঞ্জীভৰম শ্ৰীৰঙ্গচাৰী শেষাদ্ৰী চমুকৈ চি এছ শেষাদ্ৰী আছিল সাম্প্ৰতিক কালৰ ভাৰতীয় গণিতৰ আন এক উজ্জ্বল নক্ষত্ৰ। Algebraic Geometryৰ দৰে বিশুদ্ধ গণিতৰ গভীৰ ক্ষেত্ৰখনলৈ বিশিষ্ট অৱদান আগবঢ়াই তেখেতে ভাৰতীয় গণিতক আন্তৰ্জাতিক মঞ্চত স্থাপন কৰিবলৈ সক্ষম হৈছিল। গণিতৰ লগে লগে ধ্ৰুপদী সংগীততো তেওঁ আছিল সমানে সিদ্ধহস্ত। যোৱা ১৭ জুলাই, ২০২০ তাৰিখে ৮২ বছৰ বয়সত তেখেতৰ জীৱনাৱসান ঘটে।

১৯৩২চনৰ ২৯ ফেব্ৰুৱাৰীত তামিলনাডুৰ কাঞ্চীপুৰম নামৰ ঠাইত এক উচ্চ শিক্ষিত আৰু সম্ভ্ৰান্ত পৰিয়ালত চি এছ শেষাদ্ৰীৰ জন্ম হয়। তেওঁৰ দেউতাক, ককাক আৰু ককাকৰ ভায়েক আটায়ে কৰ্মসূত্ৰে উকীল আছিল। স্কুলীয়া কালৰ পৰাই তেওঁ পঢ়াশুনাত চোকা আছিল যদিও এগৰাকী পেহাকৰ প্ৰভাৱতহে তেওঁ গণিতৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল।

মাদ্ৰাজৰ (এতিয়াৰ চেন্নাই) লয়লা কলেজত গণিতৰ গুৰু পাঠ্যক্ৰম অধ্যয়ন কৰি থকাৰ সময়ত তেওঁৰ সহপাঠী আছিল বিখ্যাত ভাৰতীয় গণিতজ্ঞ এম এছ নৰসিংহম। দুই সহপাঠী গণিতজ্ঞৰ সুদীৰ্ঘ গাণিতিক সহযোগিতাই কেবল ভাৰতীয় গণিতলৈকেই নহয় আন্তৰ্জাতিক গণিত জগতলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। এলজেব্ৰেইক জিওমেট্ৰিৰ এক বিখ্যাত উপপাদ্য হ'ল নৰসিংহম শেষাদ্ৰী উপপাদ্য। এলজেব্ৰেইক জিওমেট্ৰিলৈ চি এছ শেষাদ্ৰীৰ অন্যান্য অৱদানসমূহৰ ভিতৰত শেষাদ্ৰী ধ্ৰুৱক (Shesadri Constant) আৰু ষ্টেণ্ডাৰ্ড মনোমিয়েল থিঅ'ৰি (Standard Monomial Theory) বিশেষভাৱে উল্লেখযোগ্য। বিশুদ্ধ গাণিতিক গৱেষণাৰ সমান্তৰালভাৱে প্ৰাকস্নাতক আৰু স্নাতক পৰ্যায়ৰ গণিতত সময়োপযোগী পাঠ্যসূচী, পাঠ্যপুথি আৰু শিক্ষণ পদ্ধতিৰ গুৰুত্ব উপলব্ধি কৰি তেওঁ চেন্নাই ইনষ্টিটিউট অফ ম্যাথেমেটিক্স চমুকৈ চি এম আই খ্যাত গণিতৰ এখন অগ্ৰণী অনুষ্ঠান গঢ়ি তোলাত সক্ৰিয় ভূমিকা লৈছিল আৰু তাৰ প্ৰতিষ্ঠাপক সঞ্চালক হিচাপে কাম কৰিছিল।

চি এছ শেষাদ্ৰীৰ গণিতলৈ আগবঢ়োৱা অৱদানসমূহৰ বাবে আন্তৰ্জাতিক সম্প্ৰদায়ৰ মাজত উচ্চ প্ৰশংসিত হৈছিল যাৰ বাবে ১৯৮৮ চনত তেওঁক ৰয়েল ছ'চাইটিৰ ফেলো নিৰ্বাচন কৰা হৈছিল। ৰামানুজন, হৰিচন্দ্ৰ আৰু চি আৰ ৰাওৰ পিছত শেষাদ্ৰী আছিল ভাৰতৰ চতুৰ্থজন গণিতজ্ঞ এফ আৰ এছ। ২০০৯ চনত ভাৰত চৰকাৰে চি এছ শেষাদ্ৰীক পদ্মভূষণ বঁটাৰে সন্মানিত কৰিছিল।

**ড° দিলীপ দত্ত ঃ**

অসম গণিত শিক্ষায়তনৰ এগৰাকী একান্ত অনুৰাগী আৰু আজীৱন সদস্য, আমেৰিকাৰ ৰোড্ আইলেণ্ড বিশ্ববিদ্যালয়ৰ গণিতৰ অধ্যাপক, গণিতজ্ঞ আৰু সুলেখক ড° দিলীপ কুমাৰ দত্তৰ যোৱা ২৬ ছেপ্টেম্বৰ, ২০১৯ তাৰিখে আমেৰিকাৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮০ বছৰ।

অসমৰ যোৰহাটত জন্মলাভ কৰা ড° দিলীপ কুমাৰ দত্তৰ শৈশৱ আৰু স্কুলীয়া শিক্ষা অতিবাহিত হৈছিল গুৱাহাটীত। তেখেতৰ দেউতাক আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী পঞ্জীয়ক ফণীধৰ দত্ত। চাকৰি সূত্ৰে গোটেই জীৱন আমেৰিকাতে কটালেও তেখেতে অসমৰ সৈতে আজীৱন এক নিবিড় সম্পৰ্ক ৰাখিছিল আৰু তেখেতৰ প্ৰিয় বিষয় গণিতৰ লগতে অসমীয়া সাহিত্যলৈও অনবদ্য বৰঙণি আগবঢ়াই গৈছে। তেখেতৰ গাণিতিক সৃষ্টিসমূহৰ ভিতৰত কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল Concept of Geometry, Mathematics Education, Finite Mathematics for Liberal Art ইত্যাদি। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ তেখেতৰ বিশেষ অৱদানসমূহৰ ভিতৰত আছে— ড° ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, ফলি লোৱা বুৰঞ্জী, মোৰ শিক্ষা আৰু মোৰ শিক্ষক, মিছ গুৱাহাটী (উপন্যাস), মনে মোৰ কইনা বিচাৰে, শুভদিনৰ নিৰ্ঘণ্ট, প্ৰেমত পৰিলো নেকি ?, বিষ্ণুপ্ৰসাদৰ প্ৰসাদ ইত্যাদি।

অসম গণিত শিক্ষায়তনৰ মঙলদৈ, যোৰহাট শাখাৰ উপৰিও কেন্দ্ৰীয় সমিতিয়ে অসম সাহিত্য সভাৰ সৈতে যৌথভাৱে ড° দত্তৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনায়।

দেশৰ তিনিওগৰাকী মহান গণিতজ্ঞ এছ এছ শ্ৰীখাণ্ডে, চি এছ শেষাদ্ৰী আৰু দিলীপ কুমাৰ দত্তৰ মৃত্যুত অসম গণিত শিক্ষায়তনৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰা হ'ল।